# "অসমৰ বিকেন্দ্ৰীকৃত পৰিকল্পনা"

For 6th Semester
Economics (G)
Paper – E 604

Aparna Sengupta
Associate Professor
HOD, Department of Economics

Decentralised planning in Assam (অসমৰ বিকেন্দ্ৰীকৃত পৰিকল্পনা):—

বিকেন্দ্ৰীকৃত পৰিকল্পনা ভাৰতবৰ্ষত সপ্তম (৭ম) পৰিকল্পনাৰ সময়ছোৱাত গ্ৰহণ কৰা হৈছিল। ১৯৮৬ চনৰ ১ এপ্ৰিলৰ পৰা অসমত বিকেন্দ্ৰীকৃত পৰিকল্পনা গ্ৰহণ কৰা হয়। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত বিকেন্দ্ৰীকৃত পৰিকল্পনা জিলা পৰ্যায়লৈ সম্প্ৰসাৰিত কৰা হয়। কিন্তু অসমৰ ক্ষেত্ৰত বিকেন্দ্ৰীকৃত পৰিকল্পনা মহকুমা পৰ্যায়লৈকে সম্প্ৰসাৰিত কৰা হয়। বিকেন্দ্ৰীকৃত পৰিকল্পনা প্ৰক্ৰিয়াৰ কাৰ্য চলোৱাৰ বাবে অসমৰ প্ৰতিটো মহকুমাত মহকুমা পৰিকল্পনা আৰু উন্নয়ন কাউন্সিল গঠন কৰা হৈছিল। এই কাউন্সিল বা পৰিষদখনে প্ৰত্যেক মহকুমাৰ কাৰণে পথ নিৰ্মাণ, কৃষি, জলসিঞ্চন, প্ৰাথমিক শিক্ষা, সামাজিক বনানীকৰণ, মীন, গ্ৰাম্য উন্নয়ন, বিদ্যালয় খুলন, নগৰীকৰণ, উদ্যোগীকৰণ, জনজাতীয় উন্নয়ন, স্বাস্থ্য, খোৱাপানী, বিজুলী,

নগৰ পৰিকল্পনা, গ্ৰাম্যৰীয়া উন্নয়ন আদিৰ লগতে বাজেট, পৰিকল্পনা, আঁচনি আদি প্ৰস্তুত কৰি বিভাগীয় অনুমোদনৰ প্ৰচেষ্টা লয়। এজন কেবিনেট পৰ্যায়ৰ মন্ত্ৰীৰ নেতৃত্বত বা সভাপতিত্বত বহা সভাত কাউন্সিলৰ বিভিন্ন উন্নয়ন সম্পৰ্কীয় আলোচনা আৰু সিদ্ধান্ত দাখিল কৰাৰ পিছত তাৰ অনুমোদন কৰা আৰু সংবাদ অনুসৰি মহকুমা পৰিকল্পনাৰ বিষয়ক আঁচনি ৰূপায়ণ-তথা প্ৰস্তুতিৰ কাৰ্য সম্পাদনত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ বাহিৰেও জিলাভিত্তিক পৰিকল্পনাৰ কাৰ্য আঁচনি সম্পাদনৰ বাবে জিলা উপায়ুক্ত সভাপতি হিচাপে লৈ জিলা উন্নয়ন কমিটী গঠন কৰাৰ ব্যৱস্থা হৈছিল বিভিন্ন দপ্তৰৰ মুৰব্বীসকলক সদস্য হিচাপে ইয়াত লোৱা হয়। তদুপৰি বিভাগীয় উন্নয়ন আয়ুক্তসকলক বিভিন্ন বিভাগীয় কাম-কাজত পৰিচালনাৰ দায়িত্ব দিয়া হৈছে।

বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ উদ্দেশ্য:—

ক) দৰিদ্ৰতা দূৰীকৰণৰ আঁচনিৰ কাৰ্যক্ৰমী ৰূপায়ণ।

খ) ন্যূনতম আৱশ্যকীয়তা পূৰণৰ বাবে উন্নয়নৰ ক্ষেত্ৰত আঞ্চলিক ভাৰসাম্যতা সাধন।

গ) উন্নয়নৰ বিভিন্ন স্তৰত জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰ নিশ্চিতকৰণ।

সপ্তম (৭ম) পৰিকল্পনাৰ সময়ৰ পৰা অসমত মহকুমা পৰিকল্পনা আৰু উন্নয়নৰ প্ৰক্ৰিয়াতে বিকেন্দ্ৰীভূত পৰিকল্পনাৰ কাৰ্যসূচী ৰূপায়ন কৰি অহা হৈছে। তদুপৰি ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনৰ সময়চোৱাত এই কাৰ্যনীতিৰ প্ৰক্ৰিয়াতে মহকুমা, গাঁও পঞ্চায়ত আৰু জিলা পৰ্যায়ত প্ৰকল্প-কাম দ্ৰুতভাৱে সম্পন্ন কৰাৰ কৃতকাৰ্যতা লাভ কৰা বুলি ক'ব পাৰি। ১৯৯২-৯৭ চন অৰ্থাৎ-অষ্টম পাঁচবছৰীয়া পৰিকল্পনাৰ সময়চোৱাৰ পৰা প্ৰতিবছৰে জিলা, মহকুমা আৰু গাঁও পঞ্চায়তসমূহত বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অধীনত উন্নয়নমূলক প্ৰকল্প-কামসমূহ দ্ৰুতগতিত চলাই অহা হৈছিল।

---